CAREERINDIA

Language Code : **03**

इस पुस्तिका में **20** मुद्रित पृष्ठ हैं।
This booklet contains **20** Printed pages.

# SED-24-I

**प्रश्न-पत्र-I / PAPER-I**

**असमीया भाषा परिशिष्ट**

**Assamese Language Supplement**

**भाग-IV & V / PART-IV & V**

**मुख्य परीक्षा पुस्तिका संख्या / Main Test Booklet No.**

**मुख्य परीक्षा पुस्तिका कोड / Main Test Booklet Code**

# K

**इस परीक्षा पुस्तिका को तब तक न खोलें जब तक कहा न जाए।**
**Do not open this Test Booklet until you are asked to do so.**
**इस परीक्षा पुस्तिका के पिछले आवरण (पृष्ठ 19 व 20) पर दिए निर्देशों को ध्यान से पढ़ें।**
**Read carefully the Instructions on the Back Cover (Page 19 & 20) of this Test Booklet.**

**असमीया में निर्देशों के लिए इस पुस्तिका का पृष्ठ 2 देखें। / FOR INSTRUCTIONS IN ASSAMESE SEE PAGE 2 OF THIS BOOKLET.**

## परीक्षार्थियों के लिए निर्देश

1. यह पुस्तिका मुख्य परीक्षा पुस्तिका की एक परिशिष्ट है, उन परीक्षार्थियों के लिए जो **या** तो भाग IV (भाषा I) **या** भाग V (भाषा II) **असमीया** भाषा में देना चाहते हैं, लेकिन **दोनों नहीं**।
2. परीक्षार्थी भाग I एवं भाग II **या** III के उत्तर मुख्य परीक्षा पुस्तिका से दें और भाग IV व V के उत्तर उनके द्वारा चुनी भाषाओं से।
3. अंग्रेज़ी व हिन्दी भाषा पर प्रश्न मुख्य परीक्षा पुस्तिका में भाग IV व भाग V के अन्तर्गत दिए गए हैं। भाषा परिशिष्टों को आप अलग से माँग सकते हैं।
4. इस पृष्ठ पर विवरण अंकित करने एवं OMR उत्तर पत्र पर निशान लगाने के लिए **केवल काले/नीले बॉल पॉइंट पेन** का प्रयोग करें।
5. इस भाषा पुस्तिका का **संकेत** है **K**। यह सुनिश्चित कर लें कि इस भाषा परिशिष्ट पुस्तिका का संकेत, OMR उत्तर पत्र के **पृष्ठ-2** एवं मुख्य परीक्षा पुस्तिका पर छपे संकेत से मिलता है। अगर यह भिन्न हो, तो परीक्षार्थी दूसरी भाषा परिशिष्ट परीक्षा पुस्तिका लेने के लिए निरीक्षक को तुरन्त अवगत कराएँ।
6. इस परीक्षा पुस्तिका में **दो** भाग IV और V हैं, जिनमें **60** वस्तुनिष्ठ प्रश्न हैं, जो प्रत्येक 1 अंक का है :
   भाग-IV : भाषा-I (असमीया) (प्र. 91 से प्र. 120)
   भाग-V : भाषा-II (असमीया) (प्र. 121 से प्र. 150)
7. भाग-IV में भाषा-I के लिए 30 प्रश्न और भाग-V में भाषा-II के लिए 30 प्रश्न दिए गए हैं। इस परीक्षा पुस्तिका में केवल असमीया भाषा से संबंधित प्रश्न दिए गए हैं। **यदि भाषा-I और/या भाषा-II में आपके द्वारा चुनी गई भाषा(एँ) असमीया के अलावा है तो कृपया उस भाषा वाली परीक्षा पुस्तिका माँग लीजिए। जिन भाषाओं के प्रश्नों के उत्तर आप दे रहे हैं वह आवेदन पत्र में चुनी गई भाषाओं से अवश्य मेल खानी चाहिए।**
8. **परीक्षार्थी भाग-V (भाषा-II) के लिए, भाषा सूची से ऐसी भाषा चुनें जो उनके द्वारा भाषा-I (भाग-IV) में चुनी गई भाषा से भिन्न हो।**
9. रफ कार्य परीक्षा पुस्तिका में इस प्रयोजन के लिए दी गई खाली जगह पर ही करें।
10. सभी उत्तर केवल OMR उत्तर पत्र पर ही अंकित करें। अपने उत्तर ध्यानपूर्वक अंकित करें। उत्तर बदलने हेतु श्वेत रंजक का प्रयोग निषिद्ध है।

## INSTRUCTIONS FOR CANDIDATES

1. This booklet is a supplement to the Main Test Booklet for those candidates who wish to answer **EITHER** Part IV (Language I) **OR** Part V (Language II) in **ASSAMESE** language, but **NOT BOTH**.
2. Candidates are required to answer Part I and Part II **OR** III from the Main Test Booklet and Parts IV and V from the languages chosen by them.
3. Questions on English and Hindi languages for Part IV and Part V have been given in the Main Test Booklet. Language Supplements can be asked for separately.
4. Use **Black/Blue Ball Point Pen only** for writing particulars on this page/ marking responses in the OMR Answer Sheet.
5. The CODE for this Language Booklet is **K**. Make sure that the CODE printed on **Side-2** of the OMR Answer Sheet and on your Main Test Booklet is the same as that on this Language Supplement Test Booklet. In case of discrepancy, the candidate should immediately report the matter to the Invigilator for replacement of the Language Supplement Test Booklet.
6. This Test Booklet has **two** Parts, IV and V, consisting of **60** Objective Type Questions, each carrying 1 mark :
   Part-IV : Language-I (Assamese) (Q. 91 to Q. 120)
   Part-V : Language-II (Assamese) (Q. 121 to Q. 150)
7. Part-IV contains 30 questions for Language-I and Part-V contains 30 questions for Language-II. In this Test Booklet, only questions pertaining to Assamese language have been given. **In case the language/s you have opted for as Language-I and/or Language-II is a Language other than Assamese, please ask for a Test Booklet that contains questions on that language. The language being answered must tally with the languages opted for in your Application Form.**
8. **Candidates are required to attempt questions in Part-V (Language-II) in a language other than the one chosen as Language-I (in Part-IV) from the list of languages.**
9. Rough work should be done only in the space provided in the Test Booklet for the same.
10. The answers are to be recorded on the OMR Answer Sheet only. Mark your responses carefully. No whitener is allowed for changing answers.

परीक्षार्थी का नाम (बड़े अक्षरों में) : ____________________
Name of the Candidate (in Capitals) :
अनुक्रमांक : (अंकों में) / Roll Number : in figures ____________________
: शब्दों में / in words ____________________
परीक्षा केन्द्र (बड़े अक्षरों में) : ____________________
Centre of Examination (in Capitals) :
परीक्षार्थी के हस्ताक्षर : ____________________ निरीक्षक के हस्ताक्षर : ____________________
Candidate's Signature : Invigilator's Signature :
Facsimile Signature Stamp of
Centre Superintendent : ____________________

www.careerindia.com

CAREERINDIA

Language Code : **03**

# SED-24-I

**কাকত-I**

**অসমীয়া ভাষা**

**খণ্ড–IV & V**

এই পৰীক্ষা বহীত 20 টা পৃষ্ঠা আছে

পৰীক্ষা বহীখনৰ কোড

**K**

**এই পৰীক্ষা বহীখন তোমাক খুলিবলৈ নোকোৱালৈকে নুখুলিবা।**

**এই পৰীক্ষা বহীখনৰ ওপৰৰ পৃষ্ঠাত (পৃষ্ঠা 19 আৰু 20) থকা নির্দেশনা মনোযোগেৰে পঢ়া।**

*পৰীক্ষাৰ্থীৰ বাবে নির্দেশনা ঃ*

1. এই বহীখন মুখ্য পৰীক্ষণৰ বহীখনৰ সহায়ক হিচাপে সেই সকল পৰীক্ষাৰ্থীক দিয়া হৈছে যি **অসমীয়া** ভাষাৰ খণ্ড IV (ভাষা I) বা খণ্ড V (ভাষা II) উত্তৰ কৰিব বিচাৰে। কিন্তু দুয়োটা খণ্ডৰ উত্তৰ কৰিব নোৱাৰিব।
2. পৰীক্ষাৰ্থীসকলে মুখ্য পৰীক্ষা বহীৰপৰা I, II, III খণ্ডৰ উত্তৰ কৰিব লাগিব আৰু তেওঁলোকে নির্বাচন কৰা ভাষাৰ খণ্ড IV আৰু V কৰিব লাগিব।
3. ইংৰাজী আৰু হিন্দী ভাষাৰ IV আৰু V খণ্ডৰ প্ৰশ্নসমূহ মুখ্য পৰীক্ষণ বহীৰ লৈতে দিয়া হৈছে। ভাষা সহায়কসমূহ আঁচুতীয়াকৈ লৈ উত্তৰ দিব পাৰিব।
4. এই পৃষ্ঠাত নির্দিষ্ট বিষয়সমূহ কেৱল লিখিবলৈ আৰু উত্তৰসমূহ চিহ্নিত কৰিবলৈ **নীলা/ক'লা বল পেন** ব্যৱহাৰ কৰিবা।
5. এইখন ভাষা বহীৰ কোড হ'ল **K** এইটো নিশ্চিত কৰা যে OMR উত্তৰ বহীৰ **দ্বিতীয় পিঠি,** মুখ্য পৰীক্ষণ বহী আৰু ভাষা সহায়কত একে ধৰণে এই কোডটো লিখা আছে। পৰীক্ষাৰ্থীয়ে ইয়াৰ কিবা খেলিমেলি দেখিলে নিৰীক্ষকক জনাব আৰু ভাষা সহায়ক পৰীক্ষণ বহী সলাই ল'ব।
6. এই পৰীক্ষণ বহীৰ দুটা খণ্ড - চতুৰ্থ আৰু পঞ্চম ইয়াত 60টা চমু ধৰণৰ প্ৰশ্ন আছে। প্ৰত্যেক প্ৰশ্নতে 1 নম্বৰকৈ দিয়া হৈছে :

   খণ্ড-IV : ভাষা I (অসমীয়া) (প্ৰশ্ন 91 ৰপৰা প্ৰশ্ন 120 লৈ)

   খণ্ড-V : ভাষা II (অসমীয়া) (প্ৰশ্ন 121 ৰপৰা প্ৰশ্ন 150 লৈ)
7. খণ্ড-IV ত ভাষা I ৰ বাবে 30টা প্ৰশ্ন দিয়া হৈছে আৰু খণ্ড-V ত ভাষা II ৰ বাবে 30টা প্ৰশ্ন দিয়া হৈছে। এই পৰীক্ষণ বহীত প্ৰশ্নসমূহ কেৱল অসমীয়া ভাষাৰ বাবেহে দিয়া হৈছে। **ভাষাৰ ক্ষেত্ৰত যদি ভাষা-I অথবা ভাষা-II অসমীয়াত বাহিৰে অন্য ভাষাত প্ৰশ্ন দিয়া হৈছে তেনেহ'লে সেই ভাষাটোৰ প্ৰশ্ন থকা পৰীক্ষণ বহী খুজি ল'বা। তোমাৰ প্ৰপত্ৰত উল্লেখ কৰা ভাষাটোতহে পৰীক্ষাৰ উত্তৰ লিখিব পাৰিবা।**
8. **পৰীক্ষাৰ্থীয়ে খণ্ড-V ৰ (ভাষা II) প্ৰশ্নবোৰৰ উত্তৰ খণ্ড -IV (ভাষা I) ত নির্বাচিত কৰা ভাষাৰ দৰে কৰিব লাগিব।**
9. প্ৰশ্নোত্তৰৰ বাদে বাহিৰা কাৰ্য কেৱল পৰীক্ষা বহীত থকা নির্ধাৰিত ঠাইতহে কৰিব পাৰিব।
10. প্ৰশ্নৰ উত্তৰবোৰ কেৱল OMR উত্তৰ কাকতততহে লিপিবন্ধ কৰিব লাগিব। তোমাৰ উত্তৰবোৰ সযত্নে কৰা। উত্তৰ সলাবলৈ বগা অথবা অন্য ৰং ব্যৱহাৰ কৰিব নোৱাৰিবা।

প্ৰাৰ্থীৰ নাম (স্পষ্টভাৱে) : ______

ৰোল নম্বৰ : সংখ্যাৰে ______

: আখৰেৰে : ______

পৰীক্ষা কেন্দ্ৰ (স্পষ্টভাৱে) : ______

প্ৰাৰ্থীৰ চহী : ______ নিৰীক্ষকৰ চহী : ______

Facsimile signature stamp of Centre Superintendent ______

www.careerindia.com

CAREERINDIA

পৰীক্ষাৰ্থীসকলে যদিহে অসমীয়া বিষয়টো **ভাষা-I (Language-I)** হিচাপে লৈছে, তেনেহ'লে **Part-IV-ৰ (প্ৰশ্ন নং 91-ৰপৰা 120 লৈ)** উত্তৰ কৰিব।

Candidates should attempt the questions from **Part-IV (Q.No. 91-120)**, if they have opted **ASSAMESE** as **Language-I** only.

www.careerindia.com

CAREERINDIA

## PART-IV

## LANGUAGE-I

## ASSAMESE

পৰীক্ষাৰ্থীসকলে যদিহে অসমীয়া বিষয়টো **ভাষা-I (Language-I)** হিচাপে লৈছে, তেনেহ'লে **Part-IV-ৰ (প্ৰশ্ন নং 91-ৰপৰা 120 লৈ)** উত্তৰ কৰিব।

**নিৰ্দেশ ঃ** তলত দিয়া গদ্যাংশ পঢ়ি তাৰ তলত দিয়া **91** ৰপৰা **99** প্ৰশ্নসমূহৰ আটাইতকৈ উপযুক্ত বিকল্প উত্তৰটো বাছি উলিওৱাঁ।

অসমলৈ বিভিন্ন সময়ত বিভিন্ন প্ৰান্তৰপৰা অনেক নৃ-গোষ্ঠীৰ প্ৰব্ৰজন ঘটিছিল। ভাৰতবৰ্ষৰ কেইবাখনো ৰাজ্যৰপৰা চাহ জনগোষ্ঠীৰ লোকসকল অসমলৈ আহিছিল। কিন্তু এই জনগোষ্ঠীৰ লোকৰ প্ৰব্ৰজন স্বাভাৱিক নাছিল। ইষ্ট ইণ্ডিয়া কোম্পানীয়ে চাহ শ্ৰমিকৰ চাহিদা পূৰণ কৰিবলৈ ভাৰতবৰ্ষৰ বিভিন্ন অঞ্চলৰপৰা সংগ্ৰহ কৰি আনিছিল। কোম্পানীয়ে ১৮৩৫ চনৰপৰা উজনি অসমৰ চাবুৱাত প্ৰথমে চাহৰ পদ্ধতিগত ৰোপণ কাৰ্য আৰম্ভ কৰে। ইয়াৰ চাৰি বছৰৰ পাছত অসম চাহ কোম্পানী (The Assam Tea Company) গঠন হয়। অসম চাহ কোম্পানীৰ অধীনত চাহ খেতি লাহে লাহে প্ৰসাৰিত হৈছিল। কিন্তু প্ৰয়োজন অনুসৰি থলুৱা শ্ৰমিকৰ অভাৱ আছিল। সেয়ে চীন দেশ আৰু ভাৰতবৰ্ষৰ বিভিন্ন ঠাইৰপৰা শ্ৰমিক সংগ্ৰহ কৰাৰ কথা চিন্তা কৰে। তাৰ কাৰণে কোম্পানীয়ে কিছু মধ্যভোগী নিয়োগ কৰিছিল। এইসকল মধ্যভোগীয়ে পশ্চিমবংগ, বিহাৰ, ঝাড়খণ্ড, ছত্তিশগড়, মধ্যপ্ৰদেশ, উত্তৰপ্ৰদেশ, অন্ধ্ৰপ্ৰদেশ, মাদ্ৰাজ আদি ৰাজ্যৰপৰা শ্ৰমিক সংগ্ৰহ কৰি আনিছিল। এনেদৰে অসমলৈ শ্ৰমিক সংগ্ৰহ কৰি অনা কাৰ্যক মজদুৰ চালান বুলি কোৱা হৈছিল। মজদুৰ চালান দুই ধৰণৰ আছিল। এটা হ'ল গিৰমিটিয়া চালান আৰু আনটো হ'ল আড়কাঠিয়া চালান। লিখিত চুক্তি (Agreement) অনুসৰি নিৰ্দিষ্ট সময়ৰ বাবে শ্ৰমিক অনাটোক গিৰমিটিয়া চালান আৰু কোনো চুক্তি নকৰাকৈ চলে-বলে কৌশলে সংগ্ৰহ কৰাটোক আড়কাঠিয়া চালান বুলি কোৱা হৈছিল।

অসম চাহ কোম্পানীয়ে উনৈশ শতিকাৰ মাজভাগত হাজাৰিবাগ জিলাৰপৰা পোন প্ৰথমে ৬৫২ জন শ্ৰমিক সংগ্ৰহ কৰি আনিছিল, যদিও সেইসকল শ্ৰমিক অসম আহি নাপালেই। ৰোগাক্ৰান্ত হৈ আধাখিনি শ্ৰমিকৰ আধাবাটতে মৃত্যু হ'ল আৰু বাকীসকল উভতি গ'ল। ইয়াৰ পাছত ছোটনাগপুৰ অঞ্চলৰপৰা কোম্পানীয়ে মধ্যেভোগীৰদ্বাৰা শ্ৰমিক সংগ্ৰহ কৰে। এইসকল শ্ৰমিকৰো কিছু অংশহে অসমৰ মাটিত ভৰি দিবলৈ সক্ষম হয়। আন একাংশৰ বাটতে মৃত্যু ঘটে। কিন্তু লাহে লাহে শ্ৰমিকৰ সংখ্যা বৃদ্ধি পায়। ১৮৭৭ চনত চুক্তিবদ্ধ শ্ৰমিকৰ সংখ্যা হয়গৈ ৪৬,৭৬৫ জন। যিহেতু ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তৰপৰা শ্ৰমিকসকল আহিছিল, সেয়ে তেওঁলোকৰ জাতি, বৰ্ণ, ধৰ্ম, ভাষা, কৃষ্টি-সংস্কৃতি আছিল বেলেগ বেলেগ। কিন্তু অসমলৈ আহি চাহ বাগিচাৰ একে পৰিৱেশত থাকি কাম কৰিব লগা হয়। প্ৰথমাৱস্থাত কিছু অসুবিধাৰ সৃষ্টি হ'লেও সময় বাগৰাৰ লগে লগে পাৰস্পৰিক সংযোগ আৰু সৌহাৰ্দ্যৰ ভাব গঢ়ি উঠিল। চুক্তিবদ্ধ এচাম কৰ্মী নিজ ঠাইলৈ উভতিল যদিও বাকীসকল এই অসমকে নিজ ভূমি বুলি ভাবি ৰৈ গ'ল। অসমতে স্থায়ীভাৱে থাকি যোৱা শ্ৰমিকসকলৰ মাজত উমৈহতীয়া এটা সংযোগী ভাষা গঢ় লৈ উঠিল যাক বাগানীয়া ভাষা বুলি অভিহিত কৰা হয়। দৰাচলতে বাগানীয়া ভাষা এটি দোৱানহে, ই এতিয়াও ভাষাৰ পৰ্যায়লৈ উন্নীত হোৱা নাই।

**91.** 'আড়কাঠিয়া চালান' কি?

(1) বিহাৰ আৰু ঝাৰখণ্ডৰপৰা চাহ শ্ৰমিকৰ সংগ্ৰহ কৰা

(2) লিখিত চুক্তি কৰি চাহ মজদুৰ অনা

(3) লিখিত চুক্তি অবিহনে চাহ মজদুৰ অনা

(4) গিৰমিটীয়া চালানৰ অন্য নাম

**92.** অসমত চাহৰ পদ্ধতিগত খেতি প্ৰথমে কোনে আৰম্ভ কৰিছিল?

(1) ইষ্ট ইণ্ডিয়া কোম্পানীয়ে

(2) চিংফৌ বিচা গামে

(3) ৰবাৰ্ট ব্ৰুছে

(4) পিয়লি দুলীয়া বৰুৱাই

www.careerindia.com

CAREERINDIA

**93.** ১৯শ শতিকাৰ মাজভাগত অসম চাহ কোম্পানীয়ে অসমলৈ অনা চাহ শ্ৰমিকৰ ক্ষেত্ৰত অশুদ্ধ উক্তিটো বাছি উলিওৱাঁ।

(1) অৱশেষত সেই শ্ৰমিকৰ দলটোৰ কোনো অসমত নাথাকিল।

(2) সেই শ্ৰমিকসকলক হাজাৰিবাগৰপৰা অনা হৈছিল।

(3) শ্ৰমিকসকলৰ সংখ্যা আছিল ছশ পঁচিশজন।

(4) প্ৰায় তিনিশ বা তাতোকৈয়ো অধিক শ্ৰমিকৰ অসম আহি পোৱাৰ আগতেই মৃত্যু ঘটিছিল।

**94.** গিৰমিটীয়া চালানৰ জৰিয়তে অসমলৈ অহা চাহ শ্ৰমিকৰ সংখ্যা ওঠৰশ সাতসত্তৰ চনত কিমান হৈছিলগৈ?

(1) ছয়চল্লিশ হাজাৰ সাতশ পঁয়ষষ্ঠীজন (2) পঁয়সত্তৰ হাজাৰ ছয়চল্লিশজন

(3) ছশ বাৰন্নজন (4) সাতশ পঁয়ষষ্ঠীজন

**95.** "ৰোগত পীড়িত হোৱা" — এটা শব্দত প্ৰকাশ কৰাঁ।

(1) পীড়া (2) ৰোগ-ব্যাধি (3) ৰোগাক্ৰান্ত (4) নৰীয়া

**96.** অসমলৈ চাহ শ্ৰমিক অনা কাৰ্যটো দুই ধৰণৰ আছিল। এই দুটা ধৰণ হ'ল —

(1) ৰে'লগাড়ীৰে আৰু অন্যান্য যাতায়তৰদ্বাৰা

(2) লিখিত চুক্তি আৰু অলিখিত চুক্তিৰ মাধ্যমেৰে

(3) স্বদেশী মধ্যভোগীৰ মাধ্যমেৰে আৰু বিদেশী মধ্যভোগীৰ মাধ্যমেৰে

(4) মজদুৰ চালান আৰু মালিক চালান

**97.** অসমৰ প্ৰথম চাহ কোম্পানীটো কেতিয়া গঠিত হৈছিল?

(1) ১৯৪৫ চনত (2) ১৮৩৫ চনত (3) ১৮৩৯ চনত (4) ১৮৭৭ চনত

**98.** তলত উল্লেখ কৰা ৰাজ্যবোৰৰ ভিতৰত কোনখন ৰাজ্যৰপৰা অসমলৈ চাহ শ্ৰমিকৰ প্ৰব্ৰজনৰ উল্লেখ নাই?

(1) ৰাজস্থান (2) মধ্যপ্ৰদেশ (3) উত্তৰ প্ৰদেশ (4) বিহাৰ

**99.** "অসমলৈ বিভিন্ন সময়ত বিভিন্ন প্ৰান্তৰপৰা অনেক নৃ-গোষ্ঠীৰ প্ৰব্ৰজন ঘটিছিল।"

— উদ্ধৃত গদ্যাংশটোৰ এই প্ৰথম বাক্যটোৰ প্ৰথম শব্দটোত প্ৰয়োগ হোৱা বিভক্তিটো কি?

(1) ষষ্ঠী (2) প্ৰথমা (3) তৃতীয়া (4) চতুৰ্থী

www.careerindia.com

**নির্দেশ ঃ** তলত দিয়া পদ্যাংশ পঢ়ি তাৰ তলত দিয়া **100** ৰপৰা **105** প্ৰশ্নসমূহৰ আটাইতকৈ উপযুক্ত বিকল্পটো বাছি উলিওৱাঁ।

যুৰি দুই কৰ সৰগ ধিয়াই
সুধিলোঁ কাতৰে জীৱন-স্বামী,
কোন পোহৰত যাওঁ আগবাঢ়ি
তিমিৰ পথৰ যাত্ৰী আমি।
গৰ্জিলে সৰগে গহীন সুৰেৰে
"নাই নাই ক'তো আলোক পথ,
অন্ধ নিয়তিৰ অন্ধ বিশ্বাসত
চলে মানৱৰ জীৱন-ৰথ।"

ফুৰোঁতে সিদিনা সন্ধিয়া পৰত
গই পালোগৈ কুমাৰ গাঁও,
দুহাতে কুমাৰে সানিলে বোকা
কেনৈকে মাটি খচিছে চাওঁ।
নিকৰুণভাৱে খচোঁতে খচোঁতে
মাটিৰ মুখত ওলাল মাত,
কয় কাতৰেৰে লাহে লাহে হে'ৰা,
আৰু কত দিয়া আঘাত গাত।

www.careerindia.com

**100.** কুমাৰে কিদৰে মাটি খচিছিল?

(1) অতি কাতৰতাৰে
(2) দুহাতেৰে আলফুলে
(3) দুই ভৰিৰে সমস্ত শক্তিৰে
(4) দুহাতেৰে নিৰ্দয়ভাৱে

**101.** কোন সময়ত কবি কুমাৰৰ গাঁৱলৈ গৈছিল?

(1) ৰাতি (2) ৰাতিপুৱা (3) দুপৰীয়া (4) সন্ধ্যা

**102.** 'জীৱন-স্বামী' গৰাকীক কবিয়ে কিদৰে প্ৰশ্ন কৰিছিল?

(1) কুমাৰ মাটি দুহাতত তুলি
(2) আঠুকাঢ়ি উদাত্ত কণ্ঠেৰে
(3) আকাশৰ ফালে দুয়োহাত যোৰ কৰি
(4) দুচকু মুদি অতি কাতৰভাৱে

**103.** কুমাৰে বোকা সানি মাটি খচোঁতে কি হৈছিল?

(1) মাটিৰ মুখত মাত ওলাইছিল
(2) পাষাণ প্ৰতিমা গঢ় লৈ উঠিছিল
(3) মৃন্ময় মূৰ্তি গঢ় লৈ উঠিছিল
(4) মাটিৰ পাত্ৰৰ ৰূপ পাইছিল

CAREERINDIA

104. “তিমিৰ পথৰ যাত্ৰী আমি” বুলি কোৱাৰ অৰ্থ হৈছে —

(1) মৰণ পথৰ যাত্ৰী (2) অন্ধকাৰ পথেৰে যাত্ৰা কৰা যাত্ৰী

(3) পোহৰৰ দিশলৈ গৈ থকা (4) কুমাৰ গাঁৱলৈ কৰা যাত্ৰা

105. ক'তো পোহৰৰ পথ নাই বুলি কোনে কাক কৈছিল?

(1) কুমাৰৰ মাটিয়ে কবি আৰু কুমাৰক কৈছিল (2) সৰগৰ গহীন সুৰে কবিক কৈছিল

(3) কবিয়ে তেওঁৰ ‘জীৱন-স্বামী’ক কৈছিল (4) কুমাৰে কবিক কৈছিল

106. Cummin-ৰ পৰস্পৰ নিৰ্ভৰ প্ৰমেয় বা পৰিকল্পনা (interdependence hypothesis) তলত দিয়া কোনকেইটা ইটো-সিটোৰ ওপৰত নিৰ্ভৰশীল?

(1) প্ৰথম আৰু দ্বিতীয় ভাষাত মৌলিক বা বুনিয়াদী দক্ষতা

(2) দ্বিতীয় ভাষাত বোধগম্যতা আৰু উৎপাদন

(3) প্ৰথম আৰু দ্বিতীয় ভাষাত বোধগম্য বৌদ্ধিক বা বিদ্যায়তনিক দক্ষতা

(4) দ্বিতীয় ভাষাত পঠন আৰু লিখন

107. ভাষা আৰু উপভাষাৰ বিষয়ে ভাষাতাত্ত্বিক দিশৰপৰা তলত দিয়া উক্তিকেইটাৰ কোনটো **শুদ্ধ**?

(1) ভাষা আৰু উপভাষাৰ মাজত কোনো সুনিৰ্দিষ্ট ভাষাতাত্ত্বিক পাৰ্থক্য নাই।

(2) ভাষাৰ লিখিত সাহিত্য থাকে, কিন্তু উপভাষা কেৱল মৌখিক পৰম্পৰা নিৰ্ভৰ।

(3) ভাষা আৰু উপভাষা ভাষাগতভাৱে বা ভাষাতত্ত্বগতভাৱে ভিন ভিন, কিন্তু ভৌগোলিকভাৱে একে।

(4) ভাষাৰ নিজস্ব লিপি থাকে, কিন্তু উপভাষাৰ নাথাকে।

108. সাতমহীয়া কেঁচুৱা এটাই স্বৰ আৰু ব্যঞ্জন দুয়োবিধ ব্যৱহাৰ কৰি কণ্ঠায়ন কৰিব পৰা হৈছে তলত দিয়া কোনটো এইদৰে ব্যৱহাৰ কৰি কেঁচুৱাটোৱে ভাব প্ৰকাশ কৰিছে?

(1) ভাষিক বচন (linguistic speech) (2) বিশিষ্ট ধ্বনি (phonemes)

(3) কল্‌কলোৱা (babbling) (4) কুন্‌কুনোৱা (cooing)

109. আখৰ আৰু বৰ্ণমালাৰ পৰিবৰ্তে শব্দ আৰু চুটি কাহিনীৰে পঠন দক্ষতা আৰম্ভ কৰাটো তলত দিয়া কোনটোৱে স্বীকাৰ নকৰে?

(1) শব্দ মনত ৰখাতকৈ সুকীয়া সুকীয়া আখৰ মনত ৰাখিবলৈ কঠিন।

(2) ন-পঢ়ুৱৈয়ে ক্ষুদ্ৰতৰ গোটতকৈ বৃহত্তৰ গোটত বেছি মনোযোগ দিব পাৰে।

(3) আখৰে কৰিব নোৱাৰা অৰ্থৱহ সংযোগ শব্দ আৰু পাঠে সৃষ্টি কৰিব পাৰে।

(4) শব্দ আৰু পাঠবোৰ বেছি আকৰ্ষণীয়, কিন্তু আখৰবোৰ নহয়।

www.careerindia.com

110. 'ফলপ্ৰসূ শব্দভাণ্ডাৰ' কি?

(1) পঢ়ুৱৈৰ কাৰণে নতুন শব্দবোৰ

(2) শুনা ধৰণেই চিনি পাব পৰা শব্দবোৰ

(3) পাঠৰ শাৰীবোৰ অতিক্ৰমিও লক্ষ্য কৰা শব্দবোৰ

(4) লিখন আৰু কথনত ব্যৱহাৰ কৰা শব্দবোৰ

111. একেটা বাক্ গোষ্ঠী (speech community) ৰ অন্তৰ্গত ভিন ভিন আৰ্থ-সামাজিক পটভূমিৰ দুটা ভাষা-ভাষীৰ গোটে /s/ বা 'স' ধ্বনিটো ভিন ভিন ধৰণে উচ্চাৰণ কৰা পৰিলক্ষিত হয়। এইটো হৈছে এটা ................. পৰিবৰ্তনশীল কাৰক (Variable)।

(1) সমাজ-মনোবিজ্ঞানৰ

(2) সমাজ-ভাষাবিজ্ঞানৰ

(3) বাস্তৱবাদী (pragmatic)

(4) সামাজিক-সাংস্কৃতিক

112. পাঠ বোধগম্যতাৰ ক্ষেত্ৰত তলত দিয়া উক্তিকেইটাৰ ভিতৰত কোনটো **অশুদ্ধ**?

(1) স্কিমিং আৰু স্কেনিং উভয়তে পাঠৰ ওপৰেৰে খৰকৈ চকু সঞ্চালনৰ প্ৰয়োজন হয়।

(2) সাৰগ্ৰহণ (Skimming) হৈছে খৰখেদাকৈ পঢ়া আৰু চকু ফুৰোৱা। অন্যহাতে (Scanning) হৈছে বিশেষ তথ্যৰ সন্ধান কৰা।

(3) সাৰগ্ৰহণ বা স্কিমিং হৈছে গভীৰ পঠন আৰু স্কেনিং হৈছে দ্ৰুত পঠন।

(4) পুনৰীক্ষণ বা সমালোচনাৰ কাৰণে স্কিমিং উপযুক্ত আৰু নিৰ্দিষ্ট প্ৰশ্নৰ উত্তৰ বিচাৰিবৰ কাৰণে স্কেনিং উপযুক্ত।

113. 'মাতৃভাষাভিত্তিক বহুভাষিকতা'ই তলত দিয়া কোনটোৰ পোষকতা কৰে?

(1) সকলো শিশুৱে সিহঁতৰ প্ৰথম ভাষা হিচাপে হিন্দী শিকা উচিত।

(2) সকলো শিশুৱে নিজৰ মাতৃভাষা বা ঘৰুৱা ভাষাটোত বিদ্যাৰম্ভ কৰিব লাগে।

(3) সকলো শিশুৱে ৰাজ্যভাষাত বিদ্যাৰম্ভ কৰা উচিত।

(4) সকলো শিশুৱে ইংৰাজী মাধ্যমত আৰু ঘৰুৱা ভাষাত বিদ্যাৰম্ভ কৰিব লাগে।

114. ভাষা আহৰণ কৌশল (Language Acquisition Device – LAD) ৰ ধাৰণাই তলত দিয়া কোনটো সামৰি নলয় বা ব্যাখ্যা কৰিব নোৱাৰে?

(1) শিশুৱে পোৱা ভাষিক ইনপুটতকৈ আউট্‌পুট কিয় বেছি হয়

(2) শিশুৱে সিহঁতৰ প্ৰথম ভাষা কেনেদৰে শিকে

(3) চাৰি-পাঁচ বছৰৰ চমু সময় এছোৱাৰ ভিতৰতে শিশুৱে কেনেদৰে ভাষা শিকিবলৈ সমৰ্থ হয়

(4) শিশুৱে কেনেদৰে প্ৰতীকাত্মক ভাষা শিকে

CAREERINDIA

**115.** তলত দিয়া কোনটো দ্বিতীয় ভাষাৰ শিক্ষণৰ ব্যাকৰণ অনুবাদ পদ্ধতিৰ বৈশিষ্ট্য **নহয়**?

(1) ভাষাৰ ব্যৱহাৰিক দিশতকৈ গঠনত অধিক গুৰুত্ব দিয়া।

(2) প্ৰথম ভাষা আৰু দ্বিতীয় ভাষাৰ মাজৰ ব্যাকৰণৰ নিয়মবোৰৰ তুলনা কৰা।

(3) দ্বিতীয় ভাষাৰ ব্যাকৰণৰ সূত্ৰসমূহ শিকা আৰু অনুশীলন কৰা।

(4) দ্বিতীয় ভাষাটোত পোনে পোনে ভাব বিনিময় কৰা আৰু তাৰ পাছত দুয়োটা ভাষাৰে ব্যাকৰণৰ তুলনা কৰা।

**116.** শিশু এটাই যেতিয়া নিজৰ চৌপাশে থকা বিভিন্ন ব্যক্তি, বস্তু, ঘটনা আদিৰ বিষয়ে ভাষা ব্যৱহাৰ কৰি সুধিবলৈ আৰম্ভ কৰে, তেতিয়া শিশুটোৱে ভাষাৰ কোনটো কাৰ্য বা দিশ আটাইতকৈ বেছিকৈ ব্যৱহাৰ কৰে?

(1) প্ৰয়াস-প্ৰমাদ (heuristic)

(2) কল্পনাপ্ৰৱণতা

(3) নিয়মানুসৰি চলা গুণ

(4) তথ্যমূলকতা

**117.** এগৰাকী শিক্ষকে তেওঁৰ ছাত্ৰ-ছাত্ৰীবোৰক অভিজ্ঞতা-ভিত্তিক প্ৰশ্নোত্তৰ লিখিবলৈ দিয়াৰ পাছত সিহঁতে সেইটো কেনেকৈ কৰিলে সেই বিষয়ে ক'বলৈ দিয়াৰ লগতে প্ৰশ্নোত্তৰটো লিখি থাকোঁতে সিহঁতে কি ভাবিছিল সেয়াও সুধিছে। এইটো কিহৰ উদাহৰণ?

(1) অধিসাংকেতিকতা (Metasemiotics)

(2) অতিবোধাৰ্জন (Metacognition)

(3) ৰূপক (Metaphor)

(4) অধিভাষিকতা (Metalingualism)

**118.** তলত দিয়া Krashen-ৰ হাইপ'থে'ছিছকেইটাৰ ভিতৰত কোনটো ৰাইগট্স্কীৰ ZPD-ৰ সৈতে মিলে?

(1) এফেক্টিভ ফিল্টাৰ হাইপ'থে'ছিছ

(2) ইনপুট্ হাইপ'থে'ছিছ

(3) মনিটৰ হাইপ'থে'ছিছ

(4) স্বাভাৱিক ক্ৰম হাইপ'থে'ছিছ

**119.** তলৰ কোনটো বোধশক্তিৰে সৈতে পঢ়িব পৰাৰ দক্ষতাৰ পৰিচায়ক নহয়?

(1) এতিয়ালৈকে পঢ়া পাঠটোৰ বা পাঠছোৱাৰ মনৰ মাজতে সাৰাংশ কৰা

(2) সুকীয়া আখৰ বা বৰ্ণমালাত একান্ত মনোযোগ দিয়া

(3) পৰৱৰ্তী বিষয়টোৰ অনুমান কৰা

(4) ধাৰণা কিছুমান বা ঘটনা কিছুমান ক্ৰমত চিজিল কৰা

**120.** মানুহৰ ভাষাৰ কোনটো বৈশিষ্ট্যৰ কাৰণে মানুহে তাৎক্ষণিক স্থান আৰু কালত নথকা বিষয়ৰ বিষয়েও কথা ক'ব / পাতিব পাৰে?

(1) পৃথকতা

(2) স্থানান্তৰণ (Displacement)

(3) যাদৃচ্ছিকতা (Arbitrariness)

(4) গঠন নিৰ্ভৰশীলতা

www.careerindia.com

পৰীক্ষাৰ্থীসকলে যদিহে অসমীয়া বিষয়টো **ভাষা-II (Language-II)** হিচাপে লৈছে, তেনেহ'লে **Part-V-ৰ (প্ৰশ্ন নং 121-ৰপৰা 150 লৈ)** উত্তৰ কৰিব।

Candidates should attempt the questions from **Part-V (Q.No. 121-150)**, if they have opted **ASSAMESE** as **Language-II** only.

www.careerindia.com

CAREERINDIA

## PART–V

## LANGUAGE–II

## ASSAMESE

পৰীক্ষাৰ্থীসকলে যদিহে অসমীয়া বিষয়টো **ভাষা-II (Language-II)** হিচাপে লৈছে, তেনেহ'লে **Part-V-ৰ (প্ৰশ্ন নং 121-ৰপৰা 150 লৈ)** উত্তৰ কৰিব।

**নিৰ্দেশ ঃ** তলত দিয়া গদ্যাংশ পঢ়ি তাৰ তলত দিয়া **121** ৰপৰা **128** বৈকল্পিক উত্তৰৰ প্ৰশ্নসমূহৰ আটাইতকৈ উপযুক্ত উত্তৰটো বাছি উলিওৱাঁ।

ছিংগাপুৰৰ আকাশত আমাৰ ভাৰতবৰ্ষৰ নগৰাঞ্চলৰ দৰে বিদ্যুৎ সংযোগী তাঁৰ আৰু দূৰ সংযোগী তাঁৰৰ বিশৃংখল বিন্যাসে সৃষ্টি কৰা মকৰাজাল দেখা পোৱা নাযায়। কাৰণ বিদ্যুৎ সংযোগী তাঁৰ, দুৰ সংযোগী তাঁৰ, জাবৰ-জোঁথৰ নিৰ্গমন নলী, নলা-নৰ্দমা আদি সকলো পাতাল সংযোগী ব্যৱস্থাৰদ্বাৰা সংযোজিত। যিবিলাক পৰিয়ালৰ আয় মাহে ১০,০০০ ছিংগাপুৰ ডলাৰৰ কম (ভাৰতীয় হিচাপত ৫ লাখ টকা) তেওঁলোকক দৰিদ্ৰ্য সীমাৰেখাৰ তলৰ বুলি গণ্য কৰা হয়। তেওঁলোকৰ বাবে চৰকাৰে বিশেষ ৰেহাই মূল্যত আবাস যোগান ধৰে। ধনী শ্ৰেণীটোৱে বেচৰকাৰী খণ্ডৰ গৃহ নিৰ্মাণ প্ৰতিষ্ঠানৰপৰা ঘৰ কিনিব লাগে। চৰকাৰী ঘৰবোৰ অত্যাধুনিক ব্যৱস্থাৰে সংযোজিত বৃহৎ বৃহৎ অট্টালিকাবোৰত থকা একোটা এপাৰ্টমেণ্ট সদৃশ। ইউৰোপৰ কেইবাখনো দেশৰ লগতে ছিংগাপুৰৰ দৰে উন্নত ৰাষ্ট্ৰৰ সাধাৰণ জনজীৱনৰ এটা কথাই মোক বিশেষভাৱে আকৃষ্ট কৰিছে। এই কৰ্মঠ মানুহখিনিয়ে কৰাৰ সময় সন্ধিয়া ৭ বজাৰ আশে-পাশে নিশাৰ আহাৰ গ্ৰহণ কৰে। নিশাৰ আহাৰ গ্ৰহণ কৰাৰ পাছত তেওঁলোকৰ দৈনন্দিন কৰিবলগীয়া অৱশিষ্ট কামখিনি শেষ কৰে। ছিংগাপুৰৰ টুৰ গাইডজনে কথাটো ৰসিকতা সানি কৈছিল— ৰাতিৰ আহাৰ সোনকালে খোৱাৰ বাবে মেদবহুলতাৰপৰা হাত সৰাৰ উপৰিও পাছদিনা ৰাতিপুৱাৰ স্বাভাৱিক সতেজতাই দিনটোৰ বাকী সময়খিনিৰ বাবে নতুন কৰ্মপ্ৰেৰণা প্ৰদান কৰে। সেইবাবে সন্ধিয়াৰ সময়ত বিভিন্ন ৰেষ্টুৰেণ্ট আৰু হোটেলবোৰত অত্যধিক ভিৰ দেখা যায়।

১৯৬৫ চনত স্বাধীনতাৰ ঠিক পাছৰ সময়খিনিত ছিংগাপুৰবাসীৰ মূল সমস্যা আছিল খোৱাপানীৰ নাটনি। চাৰিওফালে সমুদ্ৰৰে আগুৰি থকাৰ বাবে ছিংগাপুৰৰ ভিতৰৰ নদ-নদী, জলচ্ছেদবোৰৰ পানী লৱণযুক্ত আৰু খোৱাৰ অনুপযোগী আছিল। সেইবাবে সীমান্তৱৰ্তী মালয়েছিয়াৰ ভূখণ্ডত থকা জলচ্ছেদবোৰৰ ওপৰত নিৰ্ভৰ কৰিব লগা হৈছিল। কিন্তু বৰ্তমান সাগৰৰ পানী সোমোৱা পথবোৰ বন্ধ কৰি নদী আৰু জলচ্ছেদবোৰৰ পানী লৱণমুক্ত কৰি খোৱাৰ উপযোগী কৰি তোলা হৈছে। আনহাতে নলা-নৰ্দমাইদি বৈ যোৱা পানী, দৈনন্দিন কাৰ্যত ব্যৱহৃত পানী, যেনে— কাপোৰ ধোৱা, প্ৰসাধনত ব্যৱহাৰ হোৱা পানীও এটা বিশেষ পাতাল সংযোগী পথেদি বোৱাই নি বহুতৰপীয়া পুনঃশুদ্ধিকৰণ প্ৰক্ৰিয়াৰে খোৱাৰ উপযোগী কৰি তোলা হৈছে। উল্লেখযোগ্য যে হোটেল, ৰেষ্টুৰেণ্ট আদিৰ নিৰ্গমন নলীয়েদি যোগান ধৰা পানীও খোৱাৰ সম্পূৰ্ণ উপযোগী। খোৱাপানীৰ পৰিশোধন আৰু বিতৰণ নিশ্চিতকৰণ প্ৰক্ৰিয়াৰ বাবে চৰকাৰী উদ্যোগত লোৱা বিশেষ ব্যৱস্থাৰ বাবে ছিংগাপুৰবাসীৰ গড় আয়ুস যোৱা পাঁচিছ বছৰত ৬২ বছৰৰপৰা ৮২ বছৰলৈ বৃদ্ধি পাইছে।

ছিংগাপুৰৰ গাড়ী-মটৰ, যানবাহনৰ চালকসকলো যাতায়াত ব্যৱস্থাৰ নিয়ম-নীতিৰ প্ৰতি সজাগ। অৰ্ছাড ৰ'ড, মেৰিনাবে, নিউফিনিক্স ৰ'ডৰ দৰে ব্যস্ত পথবোৰেদি ঘূৰি ফুৰোঁতে ক'তো ট্ৰেফিক পুলিছৰ উপস্থিতি দেখা নাছিলোঁ। এটা স্বয়ংক্ৰিয় ব্যৱস্থাৰদ্বাৰা যানবাহন নিয়ন্ত্ৰণ কৰা হয়। যিকোনো ধৰণৰ দুৰ্ঘটনা, আইন ভংগকাৰী ঘটনা ৰোধ কৰাৰ উদ্দেশ্যে সমগ্ৰ ছিংগাপুৰখনকে শ্বৰ্টছাৰ্কিট কেমেৰাৰ নিৰীক্ষণত ৰখা হৈছে। নগৰাঞ্চলত অত্যধিক যানবাহনৰ ভিৰ কমাবলৈ, ছিংগাপুৰবাসীক চাৰিচকীয়া বাহন কিনাৰ ক্ষেত্ৰত নিৰুৎসাহিত কৰাৰ উদ্দেশ্যে এটা কঠোৰ খৰচী নীতি-নিৰ্দেশনা মানিবলৈ বাধ্য কৰোৱা হয়। গাড়ী কিনাৰ আগেয়ে 'ছাৰ্টিফিকেট অৱ এনটাইটলমেণ্ট'ৰ দৰে (COE) এবিধ বিশেষ চৰকাৰী নথি-পত্ৰৰ বাবে প্ৰতিখন গাড়ীৰ বাবদ নিম্নতম ৫০,০০০ ৰপৰা ৭০,০০০ ছিংগাপুৰ ডলাৰ খৰচ (প্ৰায় ৩৫ লাখ টকা) কৰিব লগা হয়। COE লাভ কৰাৰ পাছতহে গ্ৰাহকে সংশ্লিষ্ট গাড়ী বিতৰকৰ কাষত গাড়ী কিনাৰ বাবে আবেদন কৰিব পাৰে। উল্লেখযোগ্য যে গাড়ী কিনাৰ সময়ত পুনৰ গাড়ীৰ মূল্যৰ ওপৰত ৩০০ শতাংশ বিলাসী কৰ দিয়াটো বাধ্যতামূলক। গতিকে ছিংগাপুৰত এখন চাৰিচকীয়া বাহনৰ গৰাকী হোৱাটো অত্যন্ত খৰচী প্ৰক্ৰিয়া। তৎসত্ত্বেও মুঠ ৪.৫ নিযুত ছিংগাপুৰৰ নাগৰিকৰ বাবে মুঠ পঞ্জীয়নকৃত গাড়ীৰ সংখ্যা হেনো ৩ নিযুত। ইমান বেছি চাৰিচকীয়া বাহন ছিংগাপুৰৰ পথত ঘূৰি থাকিলেও আমাৰ দেশৰ নগৰ অঞ্চলবোৰৰ দৰে বিশৃংখলতা নাই। জনসাধাৰণক চৰকাৰী যোগাযোগ ব্যৱস্থাৰ অন্তৰ্গত বাছবোৰ, ৰে'ল পৰিবহণৰ সুবিধা ল'বলৈ উৎসাহিত কৰাৰ উদ্দেশ্যে অত্যাধুনিক যাতায়াত ব্যৱস্থাৰ প্ৰবৰ্তন কৰা হৈছে।

www.careerindia.com

CAREERINDIA

আমাৰ ভ্ৰমণৰ শেষৰ অৰ্থাৎ চতুৰ্থ দিনা ছিটি ছেণ্টাৰৰপৰা কিছু দূৰৰ ছেণ্টোছা নামৰ সামুদ্ৰিক দ্বীপটোলৈ গৈছিলোঁ। নানা ধৰণৰ মনোৰঞ্জনৰ মাধ্যম, পৰিষ্কাৰ বালিময় উপকূল, বিভিন্ন ধৰণৰ সামুদ্ৰিক খেল, হোটেল, ৰেষ্টুৰেণ্ট, গলফ ক'ৰ্ট আদিৰে ভৰি থকা দ্বীপটো পৰ্যটকৰ মূল আকৰ্ষণ। ইয়াত থকা ইউনিভাৰছেল ষ্টুডিঅ' নামৰ ডিজনিলেণ্ডৰ আৰ্হিত গঢ়ি তোলা থিম পাৰ্কখনত পৰিয়ালৰ সৈতে উপভোগ কৰা ছাৰ্ক ডা এডভেঞ্চাৰ, ৰিভেঞ্জ অৱ দা মামি, ট্ৰেন্সফৰমাৰ, জুৰাছিক পাৰ্কৰ দৰে দুঃসাহসিক ক্ৰীড়াবোৰ অত্যন্ত মনোৰঞ্জনধৰ্মী। ফ'ৰ. ডি. এনিমেশ্যন প্ৰযুক্তিৰ যোগেদি নিজেও পৰ্দাৰ সিপাৰে গৈ বিভিন্ন ধৰণৰ এনিমেটেড ৰবটৰ লগত নানা ধৰণৰ দুঃসাহসিক অভিযানত অংশ ল'ব পাৰি।

**121.** ছিংগাপুৰৰ আকাশত বিদ্যুৎ সংযোগী আৰু দূৰ সংযোগী তাঁৰৰ বিশৃংখল বিন্যাস দেখা নাযায়। কাৰণ, ছিংগাপুৰত —

(1) এই তাঁৰবোৰৰ পৰিবৰ্তে সকলোতে চেটেলাইটৰদ্বাৰা সংযোগ স্থাপন কৰা হয়

(2) এনে তাঁৰবোৰ সুশৃংখলিতভাৱে সংযোগ কৰি স্থাপন কৰা হয়

(3) বিদ্যুৎ সংযোগী অথবা দূৰ সংযোগী কোনো ধৰণৰ তাঁৰৰ ব্যৱহাৰ নাই

(4) এনে সকলোধৰণৰ তাঁৰ আকাশত নহয়, মাটিৰ তলতহে আছে

**122.** 'বৃহৎ' শব্দটোৰ সমাৰ্থসূচক দুটা শব্দ হৈছে —

(1) প্ৰকাণ্ড আৰু বিশাল (2) সৰু আৰু ক্ষুদ্ৰ

(3) সৰু আৰু ডাঙৰ (4) বিশালতা আৰু প্ৰচণ্ড

**123.** ছিংগাপুৰে স্বাধীনতা লাভ কৰাৰ কিমান বছৰ হ'ল?

(1) ৪৫ বছৰ (2) ৫৮ বছৰ (3) ৬৫ বছৰ (4) ২৩ বছৰ

**124.** **অশুদ্ধ** উক্তিটো বাছি উলিওৱাঁ।

(1) ছিংগাপুৰবাসীৰ অত্যাধুনিক জীৱনযাত্ৰা সত্ত্বেও গড় আয়ুস বৃদ্ধি পাইছে

(2) ছিংগাপুৰৰ এটা ফাল সমুদ্ৰই আগুৰা

(3) ছিংগাপুৰৰ চাৰিওফালে সমুদ্ৰ আছে

(4) মালয়েছিয়া ছিংগাপুৰৰ সীমান্তৱৰ্তী

**125.** তলত দিয়াকেইটাৰ ভিতৰত কোনটো এটা দ্বীপৰ নাম?

(1) মেৰিনাবে (2) নিউ ফিনিক্স (3) ডিজ্‌নিলেণ্ড (4) ছেণ্টোছা

**126.** গদ্যাংশটোত ব্যৱহৃত নদ-নদী, নলা-নৰ্দমা, জাবৰ-জোঁথৰ, নিময়-নীতি আদি শব্দবোৰ হৈছে ................. ৰ উদাহৰণ।

(1) আলংকৰিক শব্দ (2) দ্বিৰুক্তিবাচকতা (3) অনুকাৰ শব্দ (4) জতুৱা ঠাঁচ

**127.** Revenge of the Mummy কি?

(1) একে নামৰ উপন্যাসৰ আধাৰত নিৰ্মিত এখন চলচ্চিত্ৰ

(2) ইজিপ্তৰ মামীৰ বিষয়ে এখন তথ্যচিত্ৰ

(3) এটা দুঃসাহসিক খেল

(4) এখন থীম্ পাৰ্ক

www.careerindia.com

**128.** ছিংগাপুৰ ভ্ৰমণৰ বিষয়ে লিখা গদ্যাংশটোৰ লেখকৰ সেই ভ্ৰমণ কেইদিনীয়া আছিল?

(1) বাৰদিনীয়া (2) সপ্তাহজোৰা (3) চাৰিদিনীয়া (4) দহদিনীয়া

**নিৰ্দেশ** ঃ তলত দিয়া ৰচনাখণ্ড পঢ়ি তাৰ তলত দিয়া **129** ৰপৰা **135** প্ৰশ্নসমূহৰ আটাইতকৈ উপযুক্ত উত্তৰটো নিৰ্বাচন কৰা।

হঠাতে খবৰ পালোঁ, দীপৰত হাতী নামিছে। দীপৰ এখন ডাঙৰ বিল— গুৱাহাটীৰ পশ্চিমে ৯ মাইলমান দূৰত।

খবৰ পায়েই অলপ বয়-বস্তু লৈ মটৰেৰে যাত্ৰা কৰিলোঁ— ৪ মান বজাত।

সদৰ আলি এৰি গাঁৱলীয়া বাটেৰে কোনোমতে বিলৰ পাৰ পালোঁহি। নাৱেৰে বিল পাৰ হৈ 'কেম্প' পাওঁতে সাঁজ লাগিল। জানিলোঁ, বিলত হাতী নমা হয়।

স্থানীয় চিকাৰী বল বাহাদুৰৰ লগত পৰামৰ্শ কৰি ৰাতি হাতী নোজোকাই পুৱাতে পৰ্বতলৈ বিচাৰি যোৱাকে ঠিক কৰিলোঁ আৰু সেইমতে কাউৰীয়ে কা নৌ কৰোঁতেই বল বাহাদুৰক পঠিয়ালোঁ খবৰ কৰিবলৈ।

এঘাৰমান বজাত উভতি আহি খবৰ দিলে হাতী লগ পোৱা বুলি, ৪ মাইলমান দূৰত পৰ্বতৰ ওপৰত।

কিন্তু খবৰ দিয়াৰ লগে লগে ক'লে যে বাট অতি দুৰ্গম, নাই বুলিলেই হয়। হাবি ভাঙি বাট উলিয়াই যাব লাগিব; হাতীয়ে খেদিলে পলোৱা টান ইত্যাদি ইত্যাদি কথা কৈ মই পৰ্বতলৈ হাতী বিচাৰি যোৱাত উৎসাহ দিয়া দেখা নগ'ল। এবেলি ভাবিলোঁ, পৰ্বতলৈ যোৱাৰ আশা এৰি দি ৰাতি বিলতে 'টৰ্চ' দি কিবা কৰিব পাৰিনে চাওঁ; আকৌ ভাবিলোঁ, বিলত হাতে হাতে লগ পোৱা টন। দূৰৈৰপৰা গুলীয়াই হাতী মৰা সম্ভৱ হ'ব পাৰে কিন্তু ঠাইতে বগৰাব নোৱাৰিলে হাতী বিচাৰি পোৱা টান। হাতী মৰাৰ লোভ সামৰিব নোৱাৰি শেহত যোৱাকে ঠিক কৰিলোঁ। দুপৰীয়া ১২ মান বজাত বল বাহাদুৰ, মাধৱ, এজন মিকিৰ আৰু মই দুৰ্গা শ্ৰীহৰি বুলি খোজ ল'লোঁ। দুপৰীয়া ৰ'দত চাৰিমাইল খোজকাঢ়ি গোৰোৱাইদি ঘাম বৈ গ'ল। তাৰ পিছত পৰ্বতৰ পিনে বাট দেখুৱালে, আমিও চিকাৰীৰ পাছ ল'লোঁ। থিয় পৰ্বত, বাট নাই; বাঁহ আৰু বেতৰ মাজেদি বাট উলিয়াই যাব লাগে। তদুপৰি বাঁহৰ শুকান পাত পৰি ঠাই অতি পিছল হৈ আছিল, এঠাইত খোজ দিলে ছিটিকি আন ঠাইত পৰেগৈ।

মৰণত শৰণ দি দণ্ডি ধৰি লাহে লাহে পৰ্বত বগাবলৈ ধৰিলোঁ। মাজে মাজে বৈ বৈ হাতীয়ে বাঁহ ভঙা শব্দলৈ কাণ কৰিবলগীয়া হৈছিল।

এইদৰে দুমাইলমান যোৱাৰ পিচত মটৰ কৰে বাঁহ ভঙাৰ শব্দ শুনিলোঁ। আমি যোৱা বাটেই হাতী অহাৰ উমান পাই ঠাইতে গছৰ আঁৰ লৈ খাপ ল'লোঁ। দুই মিনিটমান যোৱাৰ পিচতে ৫ হাতমান দূৰত এটা হাতী দেখিলোঁ। আকাৰহে দেখিলোঁ, প্ৰকাৰ দেখা নাপালোঁ। মৰাৰ ঠিক কৰি কপাল, কুম আদি আচল মৰাৰ ঠাই বিচাৰোঁতেই দেখিলোঁ নিপোটল লোদোৰ পোদোৰ পোৱালি হাতী এটা; দেখি তাতেই তাপ মাৰি ৰ'লোঁ। কিন্তু পোৱালিৰ পাছতেই ডাঙৰ মাকজনীক দেখি বুকু চিৰিংকৈ গ'ল। অতি সাৱধানে চুচৰি আঁতৰ হৈ বাট এৰি দিলোঁ। মাকে-পোৱালিয়ে আমাক ওচৰতে দেখিও আমালৈ আওকাণ কৰি যাবলৈ ধৰিলে। এখন্তেক পিচতে দেখিলোঁ, আমি থকা ঠাইত চাৰিওপিনে সৰুৱে-ডাঙৰে, মাইকীয়ে-পোৱালিয়ে ১৫ টামান হাতী— আমি মাজতে পৰিলোঁ। খেদি নামাৰিলেও গছকত প্ৰাণ যাব, এই আশঙ্কাতে গা কঁপিবলৈ ধৰিলে; ইষ্ট দেৱতাৰ নাম স্মৰণ কৰি বগুৰাবাই কোনোমতে এজোপা ডাঙৰ কাকবাঁহৰ ভিতৰত সোমালোঁগৈ। সম্ভৱতঃ আমাক দেখা নাপালে আৰু দেখিছিল যদিও নিঃশঙ্কমনে আমাক আওকাণ কৰি ওপৰৰ সমান ঠাইলৈ গ'ল, আমাৰো কণ্ঠত ধাতু আহিল। লাহে লাহে বাঁহৰ মাজৰপৰা ওলাই হাতী কেনি গ'ল চাবৰ মনেৰে আমিও ওপৰলৈ গ'লোঁ। দেখিলোঁ, হস্তী পৰিবাৰে সমান ঠাইত উঠি জিৰণি লৈছে। গণি চালোঁ— তিনিজনী মাক, বাকী চৈধ্যটা পোৱালি। আকৌ ফটো কেমেৰাৰ কথা মনত পৰিল। দন্তাল বা মখনা লগত নাছিল।

চিকাৰীয়ে ক'লে, দন্তালটো লগত নাথাকে; এমাইলমান আঁতৰে আঁতৰে ফুৰে, কিন্তু পাছ নেৰে। দন্তাল অহাৰ আশাতে পুনৰ খাপ ল'লোঁ।

**129.** "আমাৰো কণ্ঠত ধাতু আহিল।"— এই অভিব্যক্তিটো আৰু কেনেদৰে প্ৰকাশ কৰিব পৰা যায়?

(1) মূৰৰ চুলিৰে জীউটো যোৱা

(2) মৰো-জী, সোঁ-আধিকৈ

(3) মৰণত শৰণ দি

(4) উশাহটো ঘূৰি অহা

CAREERINDIA

**130.** লেখকে দেখা জিৰণিৰত হাতীৰ জাকটোত সৰু-ডাঙৰ মিলি মুঠ ................ হাতী আছিল।

(1) চৈধ্যটা (2) সোতৰটা (3) এঘাৰটা (4) বাৰটা

**131.** "কিন্তু খবৰ দিয়াৰ লগে লগে ক'লে যে বাট অতি দুৰ্গম, নাই বুলিলেই হয়।" — উদ্ধৃত বাক্যটোৰ ৰেখাংকিত অংশ হৈছে —

(1) বিশেষণীয় বিশেষণ (2) খণ্ড বাক্য (3) ক্ৰিয়া বিশেষণ (4) পৰসৰ্গ

**132.** যাত্ৰাৰম্ভত ইষ্টদেৱতা তথা দুৰ্গাস্মৰণ কোনে কৰিছিল?

(1) মাউতজনে (2) লেখকে (3) মাধৱে (4) বল বাহাদুৰে

**133.** হাতী বিচাৰি লেখক আৰু তেওঁৰ দলটো কেতিয়া আৰু ক'লৈ গৈছিল?

(1) দুপৰীয়া, বিলৰ পাৰৰ হাবিলৈ (2) দুপৰীয়া, পৰ্বতলৈ

(3) ৰাতিপুৱা, দীপৰ বিললৈ (4) ৰাতিপুৱাতে, পৰ্বতলৈ

**134.** **অশুদ্ধ** উক্তিটো বাছি উলিওৱাঁ।

(1) লেখকৰ দলটোত এজন মিছিং লোক থকাৰ উল্লেখ আছে।

(2) হাতীৰ খবৰ কৰিবলৈ স্থানীয় চিকাৰীজন বোৱাৰী পুৱাতে ওলাই গৈছিল।

(3) হাতীৰ জাকটোৰ মাজত দঁতাল হাতী নাছিল।

(4) লেখকৰ দলটোত এজন কাৰ্বি লোক আছিল।

**135.** কেম্প গৈ পোৱালৈকে লেখকৰ যাত্ৰাটো ক্ৰম অনুসাৰে সজোৱাঁ —

(1) গাড়ীৰে সদৰ আলি > গাঁৱলীয়া আলি > নাঁৱেৰে

(2) গাড়ীৰে সদৰ আলি > নাঁৱেৰে > গাঁৱলীয়া আলিৰে

(3) খোজকাঢ়ি > নাঁৱেৰে > গাড়ীৰে

(4) নাঁৱেৰে > গাড়ীৰে > পদব্ৰজে

**136.** শিশু সাহিত্যত তলৰ কোনটো কাংখ্যিত নহয়?

(1) আকৰ্ষণীয় চিত্ৰ

(2) জীৱ-জন্তুৰ চৰিত্ৰ

(3) স্পষ্ট নীতিশিক্ষা

(4) ডাঙৰ হৰফৰ আখৰ আৰু চিনাকি শব্দ

www.careerindia.com

CAREERINDIA

137. প্ৰাথমিক বা মৌলিক আন্তঃব্যক্তিগত যোগাযোগমূলক দক্ষতা হৈছে —

(1) আন্তঃভাষা
(2) উচ্চতৰ ক্ৰমৰ ভাষা দক্ষতা
(3) সংক্ষিপ্ত বা সাৰাংশীকৰণৰ ভাষা
(4) দৈনন্দিন জীৱনত ব্যৱহৃত ভাষা

138. ভাষাৰ সামগ্ৰিক (inclusive) শ্ৰেণীকক্ষ এটা সৃষ্টি কৰাত তলত দিয়া কোনটোৱে সহায় নকৰে?

(1) কিছুমান ছাত্ৰ-ছাত্ৰীক শ্ৰেণীটোৰ মনিটৰ পাতি দিয়া
(2) সহপাঠীৰ মাজত আলাপ-আলোচনা আৰু ফীড্‌বেক
(3) দলীয় কাৰ্য কৰিবলৈ দিয়া
(4) বহুভাষিক অভিগম গ্ৰহণ কৰা

139. তলত দিয়া কোনটো ষ্টিফেন ক্ৰেশ্বেনৰ মনিটৰ হাইপ'থে'ছিছৰ ক্ষেত্ৰত **শুদ্ধ নহয়**?

(1) নিয়ম বা সূত্ৰসমূহৰ পৰ্যাপ্ত জ্ঞান আৰু হাতত অফুৰন্ত সময় থাকিলেহে শিকাৰুৱে নিৰীক্ষণ বা তথ্যাৱগমন (monitor) কৰিব পাৰে।
(2) দ্বিতীয় ভাষাৰ আহৰণত এই পাইপ'থে'ছিছৰ ব্যৱহাৰ হয়।
(3) ভাষাৰ আহৰণ (acquisition) আৰু শিকন (learning)-ৰ সম্পৰ্কত ভেঁটিত ই প্ৰতিষ্ঠিত।
(4) যিটো 'আহৰণ' কৰা হয়, সি 'শিকনত' বা 'শিকাত' সহায় কৰে।

140. এগৰাকী শিক্ষক হিন্দীভাষী ছাত্ৰ-ছাত্ৰীক দ্বিতীয় ভাষা হিচাপে ইংৰাজী শিকাইছে। তেওঁ বিশদভাৱে নিয়মবোৰ বা সূত্ৰবোৰ নিশিকোৱাকৈয়ে সিহঁতক প্ৰসংগ অনুসৰি ইংৰাজীতে সৰু কথোপকথন কৰাৰ সুযোগ দিছে। আৰু তাৰ কাৰণে কিছুমান উদাহৰণো দাঙি ধৰিছে। লাহে লাহে শিক্ষকগৰাকীৰ সহায় লৈ ছাত্ৰ-ছাত্ৰীবোৰে ভাষাটোৰ নিয়মবোৰ নিজেই বিচাৰি পাব পাইছে। শিক্ষকগৰাকীয়ে প্ৰয়োগ কৰা পদ্ধতিটো হ'ল —

(1) প্ৰত্যক্ষ পদ্ধতি
(2) ব্যাকৰণ অনুবাদ পদ্ধতি
(3) শ্ৰব্য ভাষিক পদ্ধতি
(4) যোগাযোগমূলক পদ্ধতি

141. পাঠ বুজি পোৱাত আৰু শব্দভাণ্ডাৰ টনকিয়াল কৰাত তলৰ কোনটোৱে সহায় নকৰে?

(1) চিত্ৰ অভিধান
(2) শব্দ মেপ
(3) বৰ্ণমালাৰ চাৰ্ট
(4) বিষয় সাৰ বা থীম্ মেপ

142. বহুভাষিকতা আৰু বহু সংস্কৃতিক উৎসাহিত কৰিবলৈ তলত দিয়াকেইটাৰ ভিতৰত কোনটো আটাইতকৈ প্ৰাসংগিক হ'ব?

(1) দীঘল কাহিনী (2) লোক কথা বা সাধু (3) আত্মজীৱনী (4) কল্পবিজ্ঞান

www.careerindia.com

**143.** তলত দিয়া কোনটো যোগাযোগমূলক অভিগম বা পদ্ধতিয়ে সামৰি লোৱা এটা দিশ নহয়?

(1) যোগাযোগমূলক দক্ষতাৰ বিকাশ

(2) কাৰ্য বা ব্যৱহাৰিকতাতকৈ গঠনত গুৰুত্ব আৰোপ

(3) ভাষাৰ প্ৰসংগকৃত ব্যৱহাৰ

(4) বিশদভাৱে পঢ়ুৱাতকৈ ব্যাকৰণৰ সূত্ৰসমূহৰ আৱিষ্কাৰ

**144.** এটা বিশেষ পাঠ প্ৰসংগ বুজি পাবলৈ ন-পঢ়ুৱৈ এজনে পাঠটোৰ মূল বিষয় বা থীম্‌টোৰ বিষয়ে থকা তেওঁৰ সাধাৰণ জ্ঞান ব্যৱহাৰ কৰিছে। ই হৈছে —

(1) নিম্নগামী বা অধোমুখী (Bottom-down) পদ্ধতি

(2) উৰ্ধ-নিম্ন বা অৱৰোহী (Top-down) পদ্ধতি বা অভিগম

(3) উৰ্ধমুখী (Top-up) পদ্ধতি

(4) নিম্ন-উৰ্দ্ধ (Bottom-up) পদ্ধতি

**145.** শুদ্ধ উক্তিটো বাছি উলিওৱাঁ ঃ

(1) শিকনৰ সময়ছোৱাৰ আগতে আৰু চলি থকা অৱস্থাত কৰা হয়।

(2) গঠনাত্মক মূল্যায়নে শিকনৰ কাৰ্য বা ব্যৱহাৰিকতাতকৈ গঠন বা ৰূপত বেছি গুৰুত্ব দিয়ে।

(3) সাৰাংশিত মূল্যায়ন (Summative assessment) হৈছে গোটেই বছৰটোৰ সকলো মূল্যায়নৰ সৰ্বমুঠ।

(4) পৰ্যায়ভিত্তিক বা গঠনাত্মক মূল্যায়ন (Formative assessment) শিকনৰ গোটেই সময়ছোৱাত নিৰন্তৰ চলি থাকে।

**146.** শিকনত ৰৈ যোৱা আঁসোৱাহ জানিবলৈ ভুল-বিশ্লেষণ প্ৰয়োজনীয়। কাৰণ,

(1) ভুলবোৰে ধাৰণাৰ বিকাশ আৰু প্ৰেৰণাদান কৰিব পাৰে

(2) অধিকাংশ ভুল (error) শিকাৰুৰ নিৰ্বিকাৰ মনোভংগীৰ কাৰণেই সংঘটিত হ'বলৈ পায়।

(3) শিকাৰুৰ শিকনৰ স্তৰ আৰু সিহঁতৰ মনলৈ জুমি চাবৰ কাৰণে ভুলবোৰ একোখন খিৰীকিৰ দৰে

(4) ভুলবোৰে শিকাৰুৱে বুজি নোপোৱাটো নিৰ্দেশ কৰে

**147.** মূল্যায়ন (assessment)-ৰ বিষয়ে অশুদ্ধ উক্তিটো বাছি উলিওৱাঁ।

(1) মূল্যায়ন কেৱল শিক্ষকেহে কৰিব পাৰে

(2) ই ছাত্ৰ-ছাত্ৰীৰ অগ্ৰগতিৰ এক সামগ্ৰিক ৰূপ দাঙি ধৰে

(3) ছাত্ৰ-ছাত্ৰীৰ প্ৰদৰ্শনৰ ই এক মূৰ্ত প্ৰমাণ

(4) ছাত্ৰ-ছাত্ৰীৰ অগ্ৰগতিৰ বেগ নিৰ্ণয়ত ই সহায় কৰে

CAREERINDIA

**148.** তলৰ কোনটো শিকনৰ এক মুখ্য ক্ষেত্ৰ হিচাপে গণ্য কৰা নহয়?

(1) চাইক'মটৰ (Psychomotor)

(2) বোধাৰ্জন

(3) সামাজিক-সাংস্কৃতিক

(4) ভাব প্ৰৱণতা বা আৱেগভিত্তিক (Affective)

**149.** তলত দিয়া কোনটো পৰ্যায়ভিত্তিক বা গঠনমূলক মূল্যায়ন (Formative assessment)-ৰ উদাহৰণ নহয়?

(1) চুটি পৰীক্ষাৰপৰা আৰম্ভ কৰি সংপাঠীয় মূল্যায়নলৈকে শিকনৰ গোটেই সময়ছোৱাত কৰা মূল্যায়ন কৌশল

(2) শিকনৰ গোটেই কালছোৱা জুৰি মৌখিক আৰু লিখিত কাৰ্য কিছুমান, চৰিত্ৰ ৰূপায়ণ আদি

(3) শিকন পৰ্যায়ৰ শেষত লোৱা লিখিত পৰীক্ষা

(4) নিৰ্দিষ্ট সময়ছোৱাত বোধজনিত লিখিত আৰু মৌখিত পৰীক্ষাত মিশ্ৰণৰ লগতে অন্যান্য কাৰ্য কিছুমান

**150.** ‘p’, ‘b’, ‘6’ আৰু ‘9’ — এইকেইটা পঢ়োতে আৰু লিখোতে শিশুৱে প্ৰায়ে খেলি-মেলি কৰে। তলত দিয়া কোনটো অসুবিধা থকা শিশুৰ এই খেলি-মেলি বেছি হয়?

(1) ডিছ্লেক্সিয়া

(2) খোনোৱা বা খোনাই ধৰা

(3) এফেজিয়া

(4) এন'মিয়া

- o 0 o -

www.careerindia.com

SPACE FOR ROUGH WORK

www.careerindia.com

CAREERINDIA

## তলৰ নিৰ্দেশাৱলীসমূহ মনোযোগেৰে পঢ়াঁ :

1. ভিন ভিন প্ৰশ্নসমূহৰ উত্তৰ কেনেধৰণে কৰিব লাগিব তাৰ নিৰ্দেশ পৰীক্ষা-পুস্তিকাত দিয়া আছে। প্ৰশ্নসমূহৰ উত্তৰ কৰাৰ আগতে এই পুস্তিকা মনোযোগেৰে পঢ়িবাঁ।

2. প্ৰত্যেক প্ৰশ্নৰে চাৰিটা বিকল্প দিয়া হৈছে। শুদ্ধ উত্তৰটো OMR উত্তৰ পত্ৰৰ দ্বিতীয় পিঠিত **নীলা/ক'লা বল পে'নৰ** ঘূৰণীয়াকৈ বোলাই দিয়া। এবাৰ চিহ্নিত কৰা উত্তৰটো পুনৰবাৰ পৰিবৰ্তন কৰিব নোৱাৰা।

3. OMR উত্তৰ-পত্ৰখন যাতে ভাঁজ কৰা নহয় সেইটো পৰীক্ষাৰ্থীয়ে নিশ্চিত কৰিব লাগিব। পৰীক্ষাৰ্থীয়ে নিজৰ ৰোল নম্বৰ OMR উত্তৰ-পত্ৰৰ নিৰ্ধাৰিত স্থানৰ বাহিৰে অন্য ঠাইত নিলিখে যেন।

4. প্ৰশ্নপত্ৰ আৰু OMR উত্তৰ পত্ৰ মনোযোগেৰে ব্যৱহাৰ কৰিবা। কাৰণ প্ৰশ্ন পত্ৰ আৰু OMR উত্তৰ পত্ৰৰ কেৱল ক্ৰমিক সংখ্যাৰ খেলিমেলিৰ বাহিৰে বিকল্প প্ৰশ্ন পত্ৰ আৰু OMR উত্তৰ পত্ৰ দিয়া নহ'ব।

5. পৰীক্ষা পত্ৰ/OMR উত্তৰ পত্ৰত থকা ক্ৰমিক সংখ্যা উপস্থিতি পত্ৰত শুদ্ধভাৱে লিখিবাঁ।

6. OMR উত্তৰ পত্ৰত সাংকেতিক লেখনত থকা তথ্যবোৰ যন্ত্ৰদ্বাৰা পঢ়া হ'ব। সেয়েহে কোনো তথ্য অসম্পূৰ্ণকৈ এৰা অনুচিত আৰু তথ্যসমূহ পৰিচয় পত্ৰত দিয়া তথ্যৰ সৈতে ভিন্ন হ'ব নালাগিব।

7. পৰীক্ষাৰ্থীয়ে পৰীক্ষাগৃহত প্ৰৱেশ পত্ৰৰ বাহিৰ অন্য পাঠ সামগ্ৰী, কাগজ, পেজাৰ, মবাইল ফোন আদি ইলেক্ট্ৰনিক সামগ্ৰী ব্যৱহাৰ কৰিব নোৱাৰিব।

8. মবাইল ফোন, যিকোনো বেতাঁৰী সংযোগ সঁজুলি (আনকি চুইট্‌স্বড্ অফ হৈ থাকিলেও) আৰু অন্যান্য বাৰণ কৰা বা নিষিদ্ধ সামগ্ৰী পৰীক্ষা গৃহলৈ লৈ অনাৰ অনুমতি নাই। এই নিৰ্দেশ অমান্য কৰিলে পৰীক্ষাগৃহত অসৎ উপায় অৱলম্বন কৰা বুলি গণ্য কৰা হ'ব আৰু তেনে পৰীক্ষাৰ্থীৰ বিৰুদ্ধে পৰীক্ষাৰ বাতিলকৰণকে ধৰি কাৰ্যপস্থা গ্ৰহণ কৰা হ'ব।

9. প্ৰত্যেক পৰীক্ষাৰ্থীয়ে নিৰীক্ষকক প্ৰৱেশ পত্ৰ দেখুৱাব।

10. নিৰীক্ষকৰ বিনা অনুমতিত পৰীক্ষাৰ্থীয়ে বাহিৰলৈ যাব নোৱাৰিব।

11. পৰীক্ষাৰ্থীয়ে কাৰ্যৰত নিৰীক্ষকক OMR উত্তৰ বহী নিদিয়াকৈ তথা উপস্থিতি বহীত দ্বিতীয়বাৰ স্বাক্ষৰ নকৰাকৈ পৰীক্ষা গৃহ ত্যাগ কৰিব নোৱাৰিব। যদি পৰীক্ষাৰ্থীয়ে দ্বিতীয়বাৰ উপস্থিতি বহীত স্বাক্ষৰ নকৰে তেনেহলে OMR উত্তৰ পত্ৰ নিদিয়া বুলি ধৰি লোৱা হ'ব আৰু ইয়াক অনুচিত কাৰ্য বুলি বিবেচনা কৰা হ'ব। পৰীক্ষাৰ্থীয়ে সৰ্বদা উপস্থিতি বহীৰ খালী ঠাইত বাঁও হাতৰ বুঢ়া আঙুলিৰ ছাপ দিব লাগিব।

12. ইলেক্ট্ৰনিক/ হস্তচালিত কেলকুলেটৰৰ প্ৰয়োগ কৰিব নোৱাৰিব।

13. পৰীক্ষা গৃহত পৰীক্ষাৰ্থী বোৰ্ডৰ নিয়ম অনুসাৰে পৰিচালিত হ'ব লাগিব। সকলো অনুচিত কাৰ্যৰ বাবে বোৰ্ডৰ সিদ্ধান্তই চূড়ান্ত হ'ব।

14. কোনো কাৰণতে পৰীক্ষাৰ্থীয়ে পৰীক্ষা পত্ৰ আৰু OMR উত্তৰ পত্ৰ কোনো অংশকেই পৃথক কৰিব নোৱাৰিব।

15. **পৰীক্ষাৰ অন্তত পৰীক্ষাৰ্থীয়ে পৰীক্ষা গৃহ ত্যাগ কৰাৰ পূৰ্বে OMR উত্তৰ পত্ৰ নিৰীক্ষকৰ হাতত জমা দিব লাগিব। পৰীক্ষাৰ্থীয়ে পৰীক্ষা পত্ৰ লগত নিব পাৰে।**

www.careerindia.com

CAREERINDIA

## निम्नलिखित निर्देशों को ध्यान से पढ़ें :

1. जिस प्रकार से विभिन्न प्रश्नों के उत्तर दिए जाने हैं उसका वर्णन परीक्षा पुस्तिका में किया गया है, जिसे आप प्रश्नों का उत्तर देने से पहले ध्यान से पढ़ लें।
2. प्रत्येक प्रश्न के लिए दिए गए चार विकल्पों में से सही उत्तर के लिए OMR उत्तर पत्र के **पृष्ठ-2** पर केवल एक वृत्त को ही पूरी तरह **नीले/काले बॉल पॉइन्ट पेन** से भरें। एक बार उत्तर अंकित करने के बाद उसे बदला नहीं जा सकता है।
3. परीक्षार्थी सुनिश्चित करें कि इस OMR उत्तर पत्र को मोड़ा न जाए एवं उस पर कोई अन्य निशान न लगाएँ। परीक्षार्थी अपना अनुक्रमांक OMR उत्तर-पत्र में निर्धारित स्थान के अतिरिक्त अन्यत्र न लिखें।
4. परीक्षा पुस्तिका एवं OMR उत्तर पत्र का ध्यानपूर्वक प्रयोग करें, क्योंकि किसी भी परिस्थिति में (केवल परीक्षा पुस्तिका एवं OMR उत्तर पत्र के कोड या संख्या में भिन्नता की स्थिति को छोड़कर) दूसरी परीक्षा पुस्तिका उपलब्ध नहीं करायी जाएगी।
5. परीक्षा पुस्तिका/OMR उत्तर पत्र में दिए गए परीक्षा पुस्तिका कोड व संख्या को परीक्षार्थी सही तरीके से उपस्थिति-पत्र में लिखें।
6. OMR उत्तर पत्र में कोडित जानकारी को एक मशीन पढ़ेगी। इसलिए कोई भी सूचना अधूरी न छोड़ें और यह प्रवेश-पत्र में दी गई सूचना से भिन्न नहीं होनी चाहिए।
7. परीक्षार्थी द्वारा परीक्षा हॉल/कक्ष में प्रवेश-पत्र के सिवाय किसी प्रकार की पाठ्य-सामग्री, मुद्रित या हस्तलिखित, कागज़ की पर्चियाँ, पेजर, मोबाइल फोन, इलेक्ट्रॉनिक उपकरण या किसी अन्य प्रकार की सामग्री को ले जाने या उपयोग करने की अनुमति नहीं है।
8. मोबाइल फोन, बेतार संचार युक्तियाँ (स्विच ऑफ अवस्था में भी) और अन्य प्रतिबंधित वस्तुएँ परीक्षा हॉल/कक्ष में नहीं लाई जानी चाहिए। इस सूचना का पालन न होने पर इसे परीक्षा में अनुचित साधनों का प्रयोग माना जाएगा और परीक्षार्थी विरुद्ध कार्यवाही की जाएगी, परीक्षा रद्द करने सहित।
9. पूछे जाने पर प्रत्येक परीक्षार्थी, निरीक्षक को अपना प्रवेश-पत्र दिखाएँ।
10. केन्द्र अधीक्षक या निरीक्षक की विशेष अनुमति के बिना कोई परीक्षार्थी अपना स्थान न छोड़ें।
11. कार्यरत निरीक्षक को अपना OMR उत्तर पत्र दिए बिना एवं उपस्थिति-पत्र पर दुबारा हस्ताक्षर किए बिना परीक्षार्थी परीक्षा हॉल/कक्ष नहीं छोड़ेंगे। यदि किसी परीक्षार्थी ने दूसरी बार उपस्थिति-पत्र पर हस्ताक्षर नहीं किए, तो यह माना जाएगा कि उसने OMR उत्तर पत्र नहीं लौटाया है और यह अनुचित साधन का मामला माना जाएगा। **परीक्षार्थी अपने बाएँ हाथ के अंगूठे का निशान उपस्थिति-पत्र में दिए गए स्थान पर अवश्य लगाएँ।**
12. इलेक्ट्रॉनिक/हस्तचालित परिकलक का उपयोग वर्जित है।
13. परीक्षा हॉल/कक्ष में आचरण के लिए परीक्षार्थी परीक्षण संस्था के सभी नियमों एवं विनियमों द्वारा नियमित हैं। अनुचित साधनों के सभी मामलों का फैसला परीक्षण संस्था के नियमों एवं विनियमों के अनुसार होगा।
14. किसी भी परिस्थिति में परीक्षा पुस्तिका और OMR उत्तर पत्र का कोई भाग अलग न करें।
15. **परीक्षा सम्पन्न होने पर, परीक्षार्थी हॉल/कक्ष छोड़ने से पूर्व OMR उत्तर पत्र निरीक्षक को अवश्य सौंप दें।** ***परीक्षार्थी अपने साथ इस परीक्षा पुस्तिका को ले जा सकते हैं।***

## READ THE FOLLOWING INSTRUCTIONS CAREFULLY :

1. The manner in which the different questions are to be answered has been explained in the Test Booklet which you should read carefully before actually answering the questions.
2. Out of the four alternatives for each question, only one circle for the correct answer is to be darkened completely with **Blue / Black Ball Point Pen** on **Side-2** of the OMR Answer Sheet. The answer once marked is not liable to be changed.
3. The candidates should ensure that the OMR Answer Sheet is not folded. Do not make any stray marks on the OMR Answer Sheet. Do not write your Roll No. anywhere else except in the specified space in the OMR Answer Sheet.
4. Handle the Test Booklet and OMR Answer Sheet with care, as under no circumstances (except for discrepancy in Test Booklet Code or Number and OMR Answer Sheet Code or Number), another set will be provided.
5. The candidates will write the correct Test Booklet Code and Number as given in the Test Booklet/OMR Answer Sheet in the Attendance Sheet.
6. A machine will read the coded information in the OMR Answer Sheet. Hence, no information should be left incomplete and it should not be different from the information given in the Admit Card.
7. Candidates are not allowed to carry any textual material, printed or written, bits of papers, pager, mobile phone, electronic device or any other material except the Admit Card inside the examination hall/room.
8. Mobile phones, wireless communication devices (even in switched off mode) and the other banned items should not be brought in the examination halls/rooms. Failing to comply with this instruction, it will be considered as using unfair means in the examination and action will be taken against the candidate including cancellation of examination.
9. Each candidate must show on demand his/her Admit Card to the Invigilator.
10. No candidate, without special permission of the Centre Superintendent or Invigilator, should leave his/her seat.
11. The candidates should not leave the Examination Hall/Room without handing over their OMR Answer Sheet to the Invigilator on duty and sign the Attendance Sheet twice. Cases where candidate has not signed the Attendance Sheet second time will be deemed not to have handed over the OMR Answer Sheet and dealt with as an unfair means case. **The candidates are also required to put their left hand THUMB impression in the space provided in the Attendance Sheet.**
12. Use of Electronic/Manual Calculator is prohibited.
13. The candidates are governed by all Rules and Regulations of the Examining Body with regard to their conduct in the Examination Hall/Room. All cases of unfair means will be dealt with as per Rules and Regulations of the Examining Body.
14. No part of the Test Booklet and OMR Answer Sheet shall be detached under any circumstances.
15. **On completion of the test, the candidate must hand over the OMR Answer Sheet to the Invigilator in the Hall / Room.** ***The candidates are allowed to take away this Test Booklet with them.***

www.careerindia.com